**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১।	ৰাজ্যিক মন্ত্ৰীসভাৰ বৰাক উপত্যকা উন্নয়ন বিভাগ নামৰ এটা সুকীয়া বিভাগ গঠনৰ সিদ্ধান্ত।
২।	২০২৫ বৰ্ষৰ চৰকাৰী বন্ধৰ তালিকা প্ৰকাশ।
৩।	ব্ৰহ্মপুত্ৰৰ ওপৰত পলাশবাৰীৰ সৈতে শুৱালকুছি সংযোগী চাৰিলেনযুক্ত দলঙৰ আজি ভূমিপূজন।
৪।	বাংলাদেশ চৰকাৰৰ ভাৰতৰ সৈতে থকা ইণ্টাৰনেট চুক্তি বাতিল।	**আৰু**
৫।	এডিলেইডত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয় টেষ্ট মেচৰ আজি তৃতীয় দিনা ভাৰতৰ ৫ উইকেটৰ বিনিময়ত ১২৮ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ।

০০০০০০

ৰাজ্যিক মন্ত্ৰীসভাই বৰাক উপত্যকা উন্নয়ন বিভাগ নামৰ এটা সুকীয়া বিভাগ গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বৰাক উপত্যকাৰ উন্নয়ন ত্বৰান্বিত কৰাৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। গুৱাহাটীৰ কইনাধৰাত যোৱা নিশা অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয়, যে পূৰ্বতে বড়োলেণ্ড ৱেলফেয়াৰ বাবে পাহাৰীয়া অঞ্চল উন্নয়ন বিভাগ আছিল আৰু একেদৰে এতিয়া বৰাক উপত্যকা উন্নয়ন নামৰ এটা সুকীয়া বিভাগ হ'ব। ৰাজ্য চৰকাৰে ইথানল উৎপাদনৰ সৈতে জড়িত তিনিটা উদ্যোগক ৰাজসাহায্য প্ৰদানৰ সিদ্ধান্ত লৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে মন্ত্ৰীসভাই প্ৰতি লিটাৰ ইথালনত উৎপাদন সংযোজিত উদগনি হিচাপে ২ টকা দিয়াৰ প্ৰস্তাৱত অনুমোদন জনাইছে। অনাগত তিনি বছৰলৈ এই সাহায্য প্ৰদান কৰা হ'ব বুলি শ্ৰী মল্লবৰুৱাই জানিবলৈ দিয়ে। তেওঁ কয়, যে মন্ত্ৰীসভাই কাৰাগাৰত বন্দী হৈ থকা কয়দীৰ মৃত্যু হ'লে নিকতাত্মীয়ক ক্ষতিপূৰণ হিচাপে বিত্তীয় সাহায্য প্ৰদানৰ প্ৰস্তাৱত অনুমোদন দিছে। এই অনুসৰি কয়দীৰ মাজত কাজিয়া লাগি মৃত্যু হ'লে ২ লাখ, কাৰাগাৰৰ কৰ্মচাৰীৰ সৈতে কাজিয়া লাগি বা কৰ্মচাৰীৰ অত্যাচাৰত মৃত্যু হ'লে ৩ লাখ, কৰ্মচাৰীৰ অৱহেলাৰ বাবে মৃত্যু হ'লে ৪ লাখ, চিকিৎসা বিষয়াৰ অৱহেলাত মৃত্যু হ'লে ৪ লাখ আৰু কাৰাগাৰত আত্মহত্যা কৰিলে ৩ লাখ টকা ক্ষতিপূৰণ হিচাপে নিকতাত্মীয়ক প্ৰদান কৰা হ'ব। কালিৰ মন্ত্ৰীসভাৰ বৈঠকত নতুনকৈ শপত লোৱা চাৰি গৰাকী মন্ত্ৰীয়েও অংশগ্ৰহণ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম মন্ত্ৰীসভাত কালি চাৰিগৰাকী নতুন মন্ত্ৰীক অন্তৰ্ভুক্ত কৰা হয়। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কালি আয়োজিত এটা অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই নতুন মন্ত্ৰীকেইগৰাকীক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। এই নতুন মন্ত্ৰীকেইগৰাকী হৈছে - প্ৰশান্ত ফুকন, কৌশিক ৰায়, কৃষ্ণেন্দু পাল আৰু ৰূপেশ গোৱালা। মন্ত্ৰীকেইগৰাকীয়ে কালি ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত অংশগ্ৰহণ কৰে। আনহাতে মুখ্যমন্ত্ৰীগৰাকীয়ে কাইলৈ মন্ত্ৰীসভাৰ দপ্তৰ বিতৰণ আৰু পূৰ্বৰ দপ্তৰৰ কিছু সালসলনি কৰা হ'ব বুলি জানিবলৈ দিয়ে।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশিষ্ট সাহিত্যিক হোমেন বৰগোহাঞিৰ ৯৩ সংখ্যক জন্ম দিৱস আৰু ২০২৪ বৰ্ষৰ সাহিত্যক পেঞ্চন আৰু বঁটা প্ৰদান উপলক্ষে কালি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফণীধৰ দত্ত প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত তিনিগৰাকী সাহিত্যিকক সাহিত্যিক পেঞ্চন আৰু ২৮ গৰাকী সাহিত্যিকক সাহিত্য বঁটা প্ৰদান কৰে। অনুষ্ঠানত ড০ শৰ্মাই কয়, যে ৰাজ্য চৰকাৰে প্ৰতিটো মাতৃভাষা আৰু বৈচিত্ৰ্যতাক সন্মান কৰে। তেওঁ লগতে কয়, যে জনজাতীয় ভাষা সমূহে ৰাজ্যৰ প্ৰাচীনতম সংস্কৃতিক প্ৰতিনিধিত্ব কৰে আৰু এটা ভাষাৰ লুপ্তপ্ৰায় হ'লে সেই জাতিটোৰ সৈতে সংস্কৃতি আৰু প্ৰৱাহমান সভ্যতা এটাও লুপ্ত হৈ যায়। ৰাজ্য চৰকাৰে অসমত প্ৰচলিত প্ৰতিটো ভাষাকে বৰ সবাহৰ মাজলৈ উলিয়াই নিবলৈ চেষ্টা চলাইছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ বিষয়টো উল্লেখ কৰি ড০ শৰ্মাই কয়, যে ৰাজ্যৰ প্ৰতিটো জনগোষ্ঠীয় ভাষাৰ সাহিত্য সভাসমূহে অসমীয়া ভাষাৰ এই বিৰল স্বীকৃতিক আদৰণি জনাইছে। তেওঁ কয়, যে ভাষা গৌৰৱ সপ্তাহৰ সময়ত ৰাজ্যত ডেৰ লাখখন সভা অনুষ্ঠিত হৈছিল আৰু এই সভাত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰিছিল। বৰ অসমৰ ভৱিষ্যৎ মিলন, সমন্বয় আৰু উদাৰতাৰ ভৱিষ্যৎ বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যদা প্ৰদান কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পুনৰ ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০

২০২৫ বৰ্ষৰ চৰকাৰী বন্ধৰ তালিকা প্ৰকাশ কৰা হৈছে। সেই অনুসৰি বছৰটোত মুঠ ৩৬ দিন বন্ধ থকাৰ লগতে চৰকাৰী কৰ্মচাৰীয়ে এদিন অৰ্ধছুটী লাভ কৰিব। ১৪ আৰু ১৫ জানুৱাৰীত মাঘ বিহু আৰু টুছু পূজাৰ বন্ধৰে বছৰটোৰ চৰকাৰী বন্ধ আৰম্ভ হৈ ২৫ ডিচেম্বৰৰ বৰদিনৰ বন্ধৰে সামৰণি পৰিব। আনহাতে ৬ অক্টোবৰত লক্ষ্মীপূজা উপলক্ষে চৰকাৰী কাৰ্যালয়সমূহত অৰ্ধছুটী ঘোষণা কৰা হৈছে। তদুপৰি প্ৰতিমাহৰ দ্বিতীয় আৰু চতুৰ্থ শনিবাৰে কৰ্মচাৰীয়ে বন্ধ লাভ কৰিব। আলি-আয়ে-লৃগাং উপলক্ষে ১৯ ফেব্ৰুৱাৰীত ধেমাজি, উত্তৰ-লখিমপুৰ, শোণিতপুৰ, তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, মাজুলী, চৰাইদেউ আৰু বিশ্বনাথ জিলাত বন্ধ ঘোষণা কৰা হৈছে। ইফালে ২০ আৰু ২১ নৱেম্বৰত পিতৃ-মাতৃৰ বন্দনাৰ বাবে বিশেষ ছুটী ধাৰ্য কৰা হৈছে।

০০০০০০

পলাশবাৰীৰ সৈতে শুৱালকুছিৰ সংযোগ স্থাপনৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া চাৰিলেনযুক্ত দলঙৰ আজি ভূমিপূজন কৰা হ'ব। শুৱালকুছিৰ বাথান পামত হ'বলগীয়া এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী উপস্থিত থাকিব। ১২ দশমিক ২১ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনৰ মুঠ ব্যয় ৩ হাজাৰ ১৯৭ কোটি ২০ লাখ টকা ধাৰ্য কৰা হৈছে। প্ৰকল্পটোৰ উল্লেখনীয় দিশসমূহ হৈছে- লুইতৰ উত্তৰপাৰৰ শুৱালকুছি আৰু দক্ষিণ পাৰৰ পলাশবাৰীক সংযোগ কৰিবলগীয়া এয়া এটা গ্ৰীণফিল্ড প্ৰকল্প। উত্তৰ আৰু দক্ষিণপাৰৰ দলং সংযোগী পথৰ দৈৰ্ঘ্য হ'ব শূন্য দশমিক ২১৬ কিলোমিটাৰ। আনহাতে প্ৰকল্পটোৰ সুবিধাসমূহ হ'ল- পলাশবাৰী আৰু শুৱালকুছিৰ সামগ্ৰিক উন্নয়নেৰে কামৰূপ মহানগৰৰ পশ্চিম অঞ্চলৰ বিকাশ ত্বৰান্বিত কৰা, শুৱালকুছি আৰু ইয়াৰ কাষৰীয়া জিলাসমূহৰ পৰা লোকপ্ৰিয় গোপীনাথত বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰলৈ পোনপটীয়া সংযোগৰ সুবিধা আগবঢ়োৱা, উচ্চ শিক্ষানুষ্ঠান আৰু উন্নত চিকিৎসা সেৱা লাভৰ ক্ষেত্ৰত দুয়োপাৰৰ জনসাধাৰণৰ বাবে সুচল যাতায়াত আৰু গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ যান-জঁট আৰু বায়ু প্ৰদূষণ ৰোধৰ উদ্যোগ গ্ৰহণ কৰা।

০০০০০০

বাংলাদেশ চৰকাৰে ভাৰতৰ সৈতে থকা ইণ্টাৰনেট চুক্তি একপক্ষীয়ভাৱে বাতিল কৰাৰ সিদ্ধান্ত লৈছে। বাংলাদেশৰ পৰা আগৰতলালৈ দিয়া হাইস্পীড ইণ্টাৰনেটৰ সেৱা বাতিল কৰাৰ কথা কালি মহম্মদ ইউনুছ চৰকাৰে ঘোষণা কৰে। এই চুক্তি বাতিলৰ ফলত উত্তৰ-পূৰ্বাঞ্চলত কেনেধৰণৰ প্ৰভাৱ পৰিব সেই বিষয়ে ব্যাখ্যা আগবঢ়াইছে আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে -

**ভইচ (ৰাজীৱ লোচন বৰঠাকুৰ)**

০০০০০০

পলিঅ' ৰোগ নিৰ্মূলৰ উদ্দেশ্যেৰে আজি অসমৰ ২৭ খন নিৰ্বাচিত জিলাত উপ-ৰাষ্ট্ৰীয় প্ৰতিষেধক প্ৰদান দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। **গোলাঘাট** জিলাত এই উদ্দেশ্যেৰে আজি শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ মাতৃ আৰু শিশু চিকিৎসা বিভাগত পুৱাৰে পৰা প্ৰতিষেধক প্ৰদান কৰা হ'ব। ইয়াৰ লগতে জিলাখনৰ মুঠ ৮৮৯টা প্ৰতিষেধক প্ৰদান কেন্দ্ৰত ডেৰ লাখতকৈও অধিক শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। একেদৰে **চৰাইদেউ** জিলাত ৬০ হাজাৰৰ অধিক শিশুক ৮ৰ পৰা ১০ ডিচেম্বৰৰ ভিতৰত পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। এই অভিযান সফল কৰিবলৈ প্ৰতিটো বিভাগক সহযোগিতা আগবঢ়াবলৈ চৰাইদেউ স্বাস্থ্য বিভাগে আহ্বান জনাইছে।

০০০০০০

ৰাজ্যৰ মন্ত্ৰী পৰিষদৰ সম্প্ৰসাৰণ, চাৰিজন নতুন মন্ত্ৰীৰ শপতগ্ৰহণৰ বাতৰিক আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহে প্ৰথম পৃষ্ঠাত স্থান দিছে। দৈনিক অসম কাকতে ৰাজ্যিক মন্ত্ৰীসভাই বৰাক উপত্যকা উন্নয়ন বিভাগ গঠনত অনুমোদন জনোৱাৰ বাতৰিক **গঠন হ'ব বৰাক উপত্যকা উন্নয়ন বিভাগ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে দি আছাম ট্ৰিবিউন কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন ৰাজ্য চৰকাৰে চলিত মাহত ৰাজ্যৰ ১১ লাখতকৈও অধিক হিতাধিকাৰীক বিভিন্ন আঁচনিৰ অধীনত ধন প্ৰদান কৰিব বুলি এটা বাতৰি দৈনিক জনমভূমি কাকতে **বিভিন্ন অভিলাষী আঁচনিৰ সাহায্যৰ দিন নিৰ্ণয়ৰ বাবে জিলা আয়ুক্তক নিৰ্দেশ, লক্ষ্য পঞ্চায়ত, ডিচেম্বৰত ১১ লাখ হিতাধিকাৰীয়ে পাব ধন** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত শীতৰ প্ৰকোপ বৃদ্ধি হোৱাৰ লগতে অসমত অহা ৪-৫ দিনৰ ভিতৰত তাপমাত্ৰা স্বাভাৱিকতকৈ দুই তিনি ডিগ্ৰী কমি যোৱাৰ সম্ভাৱনা আছে বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগজাননীৰ বাতৰিক অসমীয়া খবৰ কাকতে **ৰাজ্যত নামিছে প্ৰচণ্ড শীত ঃ অহা ৪-৫ দিনৰ ভিতৰত তাপমাত্ৰা অধিক হোৱাৰ সম্ভাৱনা** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক প্ৰথম ষান্মাসিকৰ পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণ প্ৰক্ৰিয়া আজি নিশা ১২ বজাত অন্ত পৰাৰ মাত্ৰ ৯ ঘণ্টা পাছতেই কাইলৈ পুৱা পৰীক্ষা অনুষ্ঠিত কৰিবলৈ লোৱাত ছাত্ৰ-ছাত্ৰীসকল অসুবিধাৰ সন্মুখীন হোৱা বুলি এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

কাইলৈ ৰাজ্যিক মন্ত্ৰীসভাৰ বিভিন্ন দপ্তৰৰ ব্যাপক ৰদ-বদল হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা বাতৰিক আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কেন্দ্ৰীয় চৰকাৰৰ তথ্যত দেশৰ ভিতৰতে বয়বস্তুৰ মূল্যবৃদ্ধি ঘটা ৰাজ্যৰ তালিকাত অসম অন্তৰ্ভুক্ত হোৱা বুলি এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে **অসমসহ ১০খন ৰাজ্যত সৰ্বাধিক মূল্যবৃদ্ধি** শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

আৰক্ষী সঞ্চালক প্ৰধানৰ কাৰ্যালয়ত অসম আৰক্ষীৰ মুৰব্বীসকলৰ পুনৰমিলন সন্মিলনত ভাষণ দি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উগ্ৰবাদৰ ঘাত-প্ৰতিঘাতকো নেওচি আৰক্ষীয়ে দেখুওৱা সাহসিকতাক প্ৰশংসা কৰাৰ বাতৰিক দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**শেষ ঃ** এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

ৰাজ্যৰ বনভোজস্থলীসমূহত আনন্দ উচ্ছাসেৰে দিন কটাবলৈ যোৱা বনভোজ দলসমূহে স্থানসমূহ এৰি থৈ অহাৰ পূৰ্বে পৰিস্কাৰ-পৰিচ্ছন্ন কৰি আহিব লাগে বুলি সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকে মত প্ৰকাশ কৰিছে। কালি নিশা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ দৃষ্টিপাত অনুষ্ঠানত অংশগ্ৰহণ কৰি আকাশবাণীৰ সংবাদদাতা, আলোচক  আৰু বিশিষ্ট ব্যক্তিসকলে এই মত আগবঢ়ায়।

০০০০০০

এডিলেইডত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয় টেষ্ট মেচৰ আজি তৃতীয় দিনা ভাৰতে ৫ উইকেটৰ বিনিময়ত ১২৮ ৰানৰ পৰা দ্বিতীয় ইনিংছত খেল আৰম্ভ কৰিব। খেলখন আজি ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। ভাৰতীয় দলটো অষ্ট্ৰেলিয়াতকৈ সামগ্ৰিকভাৱে ২৯ ৰানত পিছ পৰি আছে। কালি দিনান্তত ঋষভ পণ্টে ২৮ আৰু নীতিশ ৰেড্ডীয়ে ১৫ ৰান কৰি খেলি আছিল। অষ্ট্ৰেলিয়াই প্ৰথম ইনিংছত ট্ৰেভিছ হেডৰ শতকৰ সহায়ত ৩৩৭ ৰান সংগ্ৰহ কৰি ১৫৭ ৰানৰ অগ্ৰগতি লাভ কৰে। ট্ৰেভিছ হেডে ১৪১টা বলত ১৪০ ৰান কৰে। ভাৰতৰ হৈ মহম্মদ ছিৰাজ আৰু যশপ্ৰীত বুমৰাহে ৪টাকৈ উইকেট দখল কৰে। আনহাতে ভাৰতে প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ১৮০ ৰান সংগ্ৰহ কৰে। উল্লেখযোগ্য যে ৫ খনীয়া ক্ৰিকেট শৃংখলাটোত ভাৰত ১-০  ফলাফলত আগবাঢ়ি আছে।

০০০০০০

নৰ্থ-ইষ্ট ইউনাইটেড এফ চি আজি গুৱাহাটীৰ সৰু সজাই ক্ৰীড়া প্ৰকল্পৰ ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত হ'বলগা আই এছ এল ফুটবল প্ৰতিযোগিতাৰ এখন খেলত মোহন বাগান ছুপাৰ জায়েণ্টৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে নৰ্থ-ইষ্ট ইউনাইটেড এফ চি কলকাতাত অনুষ্ঠিত প্ৰথম লেগৰ খেলত মোহন বাগানৰ হাতত পৰাজিত হৈছিল। মোহন বাগান ছুপাৰ জায়েণ্টে বৰ্তমানলৈ খেলা ৯ খনৰ ভিতৰত ৬ খনত জয়লাভ কৰি ২০ পইণ্ট লাভ কৰি পইণ্ট তালিকাৰ শীৰ্ষত আছে। নৰ্থ-ইষ্ট ইউনাইটেড এফ চি ১০ খন খেলৰ পৰা ১৫ পইণ্ট লাভ কৰি তালিকাৰ ষষ্ঠ স্থানত আছে।

০০০০০০

সমাপ্ত